অধ্যায় ১২ ঃ চৰিত সাহিত্য

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ চৰিত সাহিত্য ঃ সাধাৰণ পৰিচয়
১২.৩.১ অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ
১২.৩.২ অসমীয়া *চৰিত পুথিৰ* বৈশিষ্ট্য
১২.৩.৩ অসমীয়া *চৰিত পুথিৰ* লেখকসকল
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *চৰিত পুথি* সম্পৰ্কে এটি সামগ্রিক ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া *চৰিত পুথিৰ* উদ্ভৱ সহ ইয়াৰ ইতিহাস, স্বৰূপ আৰু প্রকৃতি সম্পৰ্কে জানিব পাৰিব
- শঙ্কৰোত্তৰ যুগৰ সাহিত্যৰ অন্যতম প্রতিনিধি স্বৰূপ *চৰিত পুথিৰ* বিশেষত্বসমূহৰ এটি আভাস লাভ কৰিব পাৰিব
- অসমীয়া চৰিত লেখক আৰু তেওঁলোকৰ দ্বাৰা ৰচিত *চৰিত পুথি*সমূহৰো পৰিচয় লাভ কৰিব পাৰিব।

১২.২ পৰিচয়

সাধাৰণভাৱে ক'বলৈ হ'লে যি পুথিত কোনো ব্যক্তি বিশেষৰ জীৱন আৰু কার্যাৱলী বর্ণিত থাকে তাকে *চৰিত পুথি* বোলে। *চৰিত পুথিৰ* লিখিত পৰম্পৰা ভাৰতীয় সাহিত্যৰ ইতিহাসত বহু পুৰণি। দৰাচলতে অশ্বঘোষৰ *বুদ্ধ চৰিত* ৰচনাৰ লগে লগে ভাৰতীয় সাহিত্য জগতত *চৰিত পুথিৰ* দৰে এক নব্য সাহিত্য সম্পদৰ সূচনা হয়। অসমীয়া সাহিত্যত এই ইতিহাস আৰম্ভ হয় শঙ্কৰোত্তৰ যুগত। অর্থাৎ *বুদ্ধ চৰিত* ৰচনাৰ প্রায় পোন্ধৰ শ বছৰতকৈয়ো অধিক কাল পিছতহে অসমীয়া সাহিত্যত এই সাহিত্য পৰম্পৰাবিধৰ জন্ম লগ্ন সূচিত হয়। *বুদ্ধ চৰিতৰ* ৰচনাৰ আনুমানিক কাল খৃষ্টীয় প্রথম শতিকা। খ্রীঃপূঃ ৪৮৩-ত বুদ্ধদেৱৰ মহা-পৰিনির্বাণৰ প্রায় ৬০০ বছৰ পিছত অশ্বঘোষে এই কালজয়ী গ্রন্থখন লিখি উলিয়ায়।

ভাৰতীয় সাহিত্যৰ ইতিহাসত *বুদ্ধ চৰিত*কে আদি কৰি *চৰিত পুথি*খনৰ যি মূল্য ঠিক একেদৰেই শঙ্কৰোত্তৰ যুগৰ বিশাল সাহিত্য সম্পদসমূহৰ ভিতৰত অসমীয়া *চৰিত পুথি*খিনি অসমীয়া সাহিত্যৰ বাবে অমূল্য সম্পদ। মধ্যযুগীয় বিশাল সাহিত্য সম্পদৰ মধ্যমণি স্বৰূপ *শঙ্কৰোত্তৰ যুগৰ অসমীয়া সাহিত্য ঃ সাধাৰণ পৰিচয়* শীৰ্ষক অধ্যায়টিত ইতিমধ্যে এই যুগক প্ৰতিনিধিত্ব কৰা প্ৰতিটো সাহিত্য সম্পদৰে এটি থূলমূল আভাস লাভ কৰিবলৈ আপুনি সক্ষম হৈছে। এই অধ্যায়ত পূৰ্বৰ অধ্যায়টিত পৰিচয় লাভ কৰিবলৈ সক্ষম হোৱা *চৰিত পুথি* আৰু অসমীয়া *চৰিত পুথি* সম্পৰ্কে এক বিস্তৃত আলোচনা আগবঢ়োৱা হ'ব।

চৰিত পুথি হৈছে গুৰু বা গুৰু স্থানীয় ব্যক্তি বা কোনো আদৰ্শ ব্যক্তিৰ জীৱন আৰু কৰ্মময় জীৱনত আলোকপাত। অসমীয়া *চৰিত পুথি*ৰ প্ৰসঙ্গত শঙ্কৰ-মাধৱদেৱৰ দৰে *গুৰুৰ চৰিত* বৰ্ণনাৰ আধাৰতে এইলানি গ্ৰন্থ ৰচিত হৈছিল। আমি জানো যে শঙ্কৰ-মাধৱ গুৰু দুজনাৰ তিৰোভাৱৰ পাছত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ প্ৰাণকেন্দ্ৰ স্বৰূপ সত্ৰ-নামঘৰ অথবা কোনো ভক্তৰ গৃহত নাম-প্ৰসঙ্গৰ অন্তত চৰ্চিত গুৰু জীৱনৰ চৰিতাৱলীৰ বৰ্ণনাই এই সাহিত্য সম্পদবিধৰ সৃষ্টিৰ আধাৰ। মাধৱদেৱৰ তিৰোভাৱৰ পাছত চৰিত বৰ্ণনাৰ পৰম্পৰাই সংঠালনি ৰূপ লাভ কৰে যদিও শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পাছত মাধৱদেৱেই আচলতে দহো ভকতৰ সন্মুখত এই পৰম্পৰাৰ শুভাৰম্ভণি কৰে। যি আদৰ্শ আৰু উদ্দেশ্যৰে মাধৱদেৱে এই প্ৰথা বা পৰম্পৰা শুভাৰম্ভণি কৰিছিল সেইখিনিকে তেওঁৰ (মাধৱদেৱ) আৱৰ্তমানত আন শিষ্য-প্ৰশিষ্যসকলেও গুৰুসকলৰ প্ৰতি কৰা শ্ৰদ্ধা-ভক্তিৰ নামান্তৰ হিচাপে পৰৱৰ্তী সময়ত একাধিক *চৰিত পুথি*ৰ জন্ম দিয়ে। এনেবোৰ কথাৰ বিশ্লেষণেই এই অধ্যায়ৰ কেন্দ্ৰীয় বিষয়বস্তু।

উল্লেখযোগ্য যে ঐতিহাসিক দৃষ্টিকোণৰ পৰা *চৰিত পুথি*খিনিৰ মূল্য যিমান, মধ্যযুগীয় অসমীয়া গদ্য সাহিত্যৰ গতি-প্ৰগতিত চৰিতসমূহে বিশেষকৈ গদ্য চৰিতসমূহে যি ভূমিকা গ্ৰহণ কৰি আছে সিয়ে ঐতিহাসিক প্ৰমূল্যৰ লগতে সাহিত্যিক প্ৰমূল্যও বঢ়াই তুলিছে। তদুপৰি ভাষাতাত্ত্বিক বিশেষত্বসমূহেও *চৰিত পুথি*খিনিক অনন্য মাত্ৰা প্ৰদান কৰিছে। এই সকলো কথাকে অধ্যায়টিত বিস্তাৰিত ৰূপ দিবলৈ চেষ্টা কৰা হৈছে।

১২.৩ চৰিত সাহিত্য ঃ সাধাৰণ পৰিচয়

অসমীয়া *চৰিত পুথি* সম্পৰ্কে জনাৰ পূৰ্বে *চৰিত পুথি*নো কি অথবা ভাৰতীয় সাহিত্যত এই সাহিত্য সম্পদবিধৰনো উদ্ভৱ কেতিয়াৰ পৰা হ'ল এই সম্পৰ্কে কিছু কথা জনাৰ নিশ্চয় আৱশ্যকতা আছে। এই অধ্যায়ৰ পৰিচয় পূৰ্বতে উনুকিওৱা হৈছে যে কোনো ব্যক্তি বা ব্যক্তিবিশেষৰ জীৱন আৰু কাৰ্যাৱলী বিবৃত সাহিত্যই চৰিত সাহিত্য। ভাৰততে এই ইতিহাস আৰম্ভ হয় অশ্বঘোষৰ *বুদ্ধ চৰিত*ৰ জৰিয়তে। অশ্বঘোষৰ *বুদ্ধ চৰিত*ক জীৱনী সাহিত্য বা জীৱনী গ্ৰন্থ অথবা জীৱনী চৰিতৰ শাৰীত শ্ৰেণীভুক্ত কৰিব নোৱাৰিলেও *বুদ্ধ চৰিত* এই ধাৰাৰ প্ৰথম সাহিত্য সম্পদ। সেই পিনৰ পৰা গ্ৰন্থখনিৰ ঐতিহাসিক মূল্য সন্দেহাতীত।

আধুনিক সমালোচকসকলৰ মতে জীৱনী আবেগবর্জিত ৰচনা হ'বই লাগিব। অর্থাৎ অগ্রণী বা বিশিষ্ট ব্যক্তিৰ জীৱনী লিখিবলৈ যাওঁতে ব্যক্তিজনৰ জীৱনত নঘটিবলগীয়া ঘটনাবোৰ জীৱনীকাৰে স্বেচ্ছাই এৰাই চলা প্রকৃত জীৱনীৰ আদর্শ নহয়। জন্‌চনৰ মতে ব্যক্তি জীৱনৰ প্রতিটো সত্য পাঠকৰ ওচৰত অৱগত কৰাটোহে প্রকৃত জীৱনীৰ আদর্শ হোৱা উচিত। এই পিনৰ পৰা চালে *চৰিত পুথি*সমূহক প্রকৃত জীৱনী বা Biography বুলিব নোৱাৰি। এই দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰিলে অশ্বঘোষৰ *বুদ্ধ চৰিত*কো প্রকৃত জীৱনীৰ শাৰীত পেলাব নোৱাৰি। ইংৰাজীত Biographyৰ লেখীয়া Hagiography নামৰ এটি অভিধা পোৱা যায়। ইয়াৰ আভিধানিক অর্থ *সন্ত চৰিত*। ইয়াৰ তাত্ত্বিক বা অন্তর্নিহিত অর্থ হ'ল সন্তপুৰুষৰ জীৱনৰ বিস্ময়কৰ ঘটনাৱলী বর্ণনা। মাননীয় গুণাৱলীতকৈ অলৌকিক বর্ণনা Hagiographyৰ প্রধান অৱলম্বন। বিষয়বস্তুৰ বর্ণনাৰ পৰা বা বর্ণনা ৰীতিৰ তাত্ত্বিক দিশৰ পৰা *বুদ্ধ চৰিত*ক Hagiographyৰহে অন্তর্ভুক্ত কৰিব পাৰি। কাৰণ বুদ্ধদেৱৰ জীৱন আৰু তেওঁৰ কার্যাৱলী বর্ণনা কৰোঁতে মানৱীয় দৃষ্টিভঙ্গীতকৈ বুদ্ধক পৰমেশ্বৰ কল্পনাৰে বর্ণনা কৰোঁতে অলৌকিক বা অতিৰঞ্জিত বর্ণনাকহে মুখ্যভাৱে স্থান দিয়া হৈছে। বুদ্ধদেৱৰ মহা-পৰিনির্বাণৰ অনেক কাল পিছতো তেওঁৰ শিষ্য আৰু ভক্তসমাজৰ মাজত বুদ্ধৰ অতিমানৱীয় ৰূপটোৱে তেওঁলোকৰ মন আচ্ছন্ন কৰি ৰাখিছিল। অশ্বঘোষেও বুদ্ধদেৱৰ জীৱন-কর্ম আৰু আদর্শৰ সান্নিধ্যৰে আচ্ছন্ন হৈ সেই দৃষ্টিৰেই *বুদ্ধ চৰিত* ৰচনা কৰিছিল। ধর্মীয় আবেগেৰে গ্রন্থখন লিখোঁতে প্রকৃত জীৱন চৰিতৰ গুণাগুণ হেৰুওৱালেও জীৱন চৰিত লেখনৰ পৰম্পৰা সৃষ্টিৰে গুৰুৰ প্রতি শ্রদ্ধা নিবেদনৰ এক অনন্য বাট দেখুৱাই দিয়াৰ বাবে অশ্বঘোষ ঐতিহাসিকভাৱে এজন সফল কলাকাৰ বুলিবই লাগিব।

বৌদ্ধ সাহিত্যৰ দৰে জৈন সাহিত্যতো চৰিতৰ লক্ষণ বিশিষ্ট সাহিত্য সম্পদৰ ভিতৰত হেমচন্দ্রৰ দ্বাৰা ৰচিত *ত্রিষষ্টিশলাকা পুৰুষ চৰিত* অথবা গুণচন্দ্রৰ দ্বাৰা ৰচিত *মহাবীৰ চৰিতম্‌* এই শ্রেণীৰ (Hagiography) দুখন ইতিহাস প্রসিদ্ধ গ্রন্থ। গ্রন্থ দুখনত ব্যক্তিনিষ্ঠ বর্ণনা মাত্রাধিক। এই মাত্রাধিক্যতাৰ বাবে গ্রন্থখনক প্রকৃত জীৱন চৰিতৰ পৰা আঁতৰাই ৰাখিছে। *ত্রিষষ্টিশলাকা পুৰুষ চৰিতত* ৬৩জন মহাপুৰুষৰ জীৱন কাহিনী বিবৃত কৰা হৈছে।



জানি থোৱা ভাল

বৌদ্ধ ধর্ম-সাহিত্যক প্রতিনিধিত্ব কৰা প্রধান ভাষাবিধৰ নাম হ'ল *পালি*। সেইদৰে জৈন ধর্ম-সাহিত্যক প্রতিনিধিত্ব কৰা প্রধান ভাষা *প্রাকৃত*। জৈন ধর্ম সম্প্রদায়ৰ দুটা ভাগ ঃ *শ্বেতাম্বৰ* আৰু *দিগম্বৰ*।

প্রসঙ্গক্রমে উল্লেখ কৰা ভাল যে লৌকিক সংস্কৃতত ৰচিত পুৰাণসমূহ Hagiographyৰ সমপর্যায়ৰে বুলিব পাৰি, কিয়নো এইবোৰতো অতি প্রাকৃত তথা অলৌকিকতাৰ পৰিমাণ অধিকভাৱে দেখা যায়। এই পিনৰ পৰা চালে পুৰাণ সূর্য্য *শ্রীমদ্ভাগৱত পুৰাণ*ৰ অন্তর্গত *দশম স্কন্ধ*ৰ নব্বৈ (৯০)টা অধ্যায়ত কৃষ্ণৰ অতি প্রাকৃত আৰু অতিলৌকিক ঘটনা বিভিন্ন কাহিনীৰে পৰিপূর্ণ হোৱা বাবে

গ্ৰন্থখনিক Hagiography বোলাৰ যুক্তি আছে বুলি অসমীয়া সংস্কৃতিৰ গৱেষক, পণ্ডিত নবীন চন্দ্ৰ শৰ্মাই কৈছে।

ভাৰতীয় চৰিত সাহিত্যৰ পৰম্পৰাত বাণভট্টৰ *হৰ্ষ-চৰিত* আৰু কলহনৰ *ৰাজতৰঙ্গিনী* দুখন উল্লেখযোগ্য গ্ৰন্থ। গ্ৰন্থ দুখনৰ বৰ্ণিত বিষয়বস্তু পূৰ্বোল্লিখিত গ্ৰন্থসমূহৰ দৰে বহু পৰিমাণে Hagiographyৰ লক্ষণ বা আচৰণৰ পৰা কিছু মুক্ত যদিও *হৰ্ষ-চৰিত*ক একেবাৰে অলৌকিকতা মুক্ত বুলিব নোৱাৰি। তথাপি সন্ত লোকৰ পৰিৱৰ্তে এই গ্ৰন্থত কোনো ৰাজকীয় চৰিত্ৰৰ ৰাজকাৰ্য্য বৰ্ণিত হৈছে। অৱশ্যে দ্বিতীয়খনত কোনো অলৌকিকতা বা অলৌকিক কাহিনীৰ পৰিৱৰ্তে কাশ্মীৰৰ ইতিহাসেৰে বিধৃত এখন বিশুদ্ধ চৰিত গ্ৰন্থ বুলি যুক্তি প্ৰদানৰ থল আছে।

সংস্কৃত, পালি (বৌদ্ধ), প্ৰাকৃত (জৈন)ৰ দৰে অপভ্ৰংশ স্তৰতো এইবিধ সাহিত্যৰ ৰচনাৰ পৰম্পৰা প্ৰচলিত আছিল। অপভ্ৰংশ স্তৰতো বিভিন্নজন পণ্ডিতে এই শ্ৰেণীৰ সাহিত্য ৰচনা কৰি ভাৰতীয় চৰিত সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। অপভ্ৰংশ ভাষা স্তৰত ৰচিত কেইখনমান উল্লেখযোগ্য চৰিত গ্ৰন্থ হ'ল— পুষ্পদন্তৰ জসহৰচৰিউ (যশোধৰ চৰিত), নায়কুমাৰ চৰিউ (নাগকুমাৰ চৰিত); কনকামৰ মুনিৰ কপকণ্ডচৰিউ; হৰিভদ্ৰ সুৰিৰ ণেমিণাহচৰিউ (নেমিনাথ চৰিত) বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰে 'জসহৰচৰিউ'ত জৈনসকলৰ জনপ্ৰিয় ৰজা যশোধৰৰ কাহিনী বৰ্ণিত হোৱাৰ বিপৰীতে 'নায়কুমাৰ চৰিউ'ত আছে জৈনসকলৰ ২৪জন কামদেৱৰ ভিতৰত আটাইতকৈ ৰূপবান নায়কুমাৰৰ কাহিনী। সেইদৰে চম্পাৰ ৰজা দখিবাহনৰ পুত্ৰ কৰকণ্ডৰ জীৱনৰ ঘাট-প্ৰতিঘাট, প্ৰাপ্তি-অপ্ৰাপ্তিৰ এখন দীঘলীয়া দলিল স্বৰূপ *কৰকণ্ড চৰিউ*। আনহাতে, *ণেমিনাহ চৰিউত* জৈন তীৰ্থঙ্কৰ নেমিনাথৰ জীৱন কাহিনী বৰ্ণিত কৰা হৈছে। সংস্কৃত কাব্যানুকৰণত ৰচিত গ্ৰন্থখনিত কিছু অলৌকিক কাহিনীৰ প্ৰভাৱ দেখা যায়।

অসমীয়া সাহিত্যৰ প্ৰেক্ষাপটত শঙ্কৰদেৱৰ তিৰোভাৱৰ পাছত মাধৱদেৱে শঙ্কৰদেৱৰ জীৱন কালৰ বিভিন্ন মহত্ত্ব আৰু কাৰ্যাৱলীৰ গুণাগুকীৰ্তনেৰে 'চৰিত তোলা প্ৰথা' (এই সম্পৰ্কে স্থানান্তৰত বহলাই কোৱা হ'ব)ৰ জৰিয়তে এই পৰম্পৰাৰ শুভাৰম্ভণি নঘটোৱা পৰ্য্যন্ত যি কোনো কাৰণতেই হওক চৰিত চৰ্চা বা চৰিত লিখাৰ পৰম্পৰা অসমত উদ্ভৱ হোৱা নাছিল। অৱশ্যে দশম-একাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ প্ৰাৰম্ভলৈকে তেনে কোনো লিখিত সাহিত্য ৰচনাৰ প্ৰমাণো পোৱা নাযায়। যদি ৰচনা হৈছিলো তথাপি বিভিন্ন প্ৰাকৃতিক, সামাজিক বা মানুহৰ সচেতনহীনতাৰ বাবে ৰচিত পুথিবোৰ হয়তো কালৰ গতিত লয় পাইছিল। প্ৰাক্-শঙ্কৰ যুগত এমুঠিমান সাহিত্যিকে সাহিত্য ৰচনা কৰিলেও তেওঁলোকৰ সাহিত্যত আনকি শঙ্কৰ যুগৰ বহল সাহিত্য পৰিসৰৰ মাজতো চৰিত ৰচনাৰ নিদৰ্শন নাই। তদুপৰি মাধৱদেৱে জীৱিত কালত গুৰুভক্তিৰ পৰাকাষ্ঠাৰে চৰিত চৰ্চাৰ পৰম্পৰাৰ আৰম্ভণি ঘটালেও পূৰ্ণাঙ্গ সাহিত্যিক ৰূপটিলৈ উত্তৰ শঙ্কৰ বা শঙ্কৰোত্তৰ যুগলৈকে অপেক্ষা কৰিবলগীয়া হৈছিল। অৱশ্যে *চৰিত পুথি* বা *চৰিত সাহিত্যৰ* পৰৱৰ্তী সাক্ষ্য *জীৱনী সাহিত্য* অসমীয়া সাহিত্যাকালৰো সণ্ঢালনি সাহিত্য সম্ভাৰ।

উল্লেখযোগ্য যে চৰিত লিখাৰ পৰম্পৰা যে কেৱল ভাৰতবৰ্ষতে হৈছিল তেনে নহয়, বিশ্ব সাহিত্যতো ই এটি নিৰ্ভৰযোগ্য সাহিত্য উপাদান। বিশ্ব সাহিত্যৰ প্ৰেক্ষাপটত প্লুটাৰ্কৰ Lives

এখন উল্লেখযোগ্য জীৱনী সাহিত্যই নহয়, Lives-ৰ স্ৰষ্টা প্লুটার্কক জীৱন চৰিতৰ পিতৃ আখ্যাৰে আখ্যা দিয়াও হৈছে। তেওঁৰ Lives গ্ৰন্থত ৪৬জন গ্ৰীক আৰু ৰোমান মহাপুৰুষৰ জীৱন-বৃত্তৰ এটি তুলনা দাঙি ধৰিছে। ভাৰতীয় সাহিত্যত আন সাহিত্যৰ দৰে বাংলা সাহিত্যতো এই বিধ সাহিত্যৰ পৰম্পৰা ৰক্ষিত হৈছিল। বাংলা সাহিত্যত *চৈতন্য চৰিতামৃত* অথবা *চৈতন্য ভগৱত* এই শ্ৰেণী সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন। ইয়াৰ সময় মধ্যযুগ।

এইখিনিতে এটা কথা উল্লেখ কৰা ভাল যে ভাৰতীয় চৰিত সাহিত্যখিনিৰ গাঁথনিক দিশ আৰু বিষয়বস্তুলৈ লক্ষ্য কৰিলে প্ৰাচীন স্তৰৰ মাজৰ পৰা শুদ্ধ ৰূপৰ বা বিশুদ্ধ *চৰিত পুথি* এখন উলিয়াই অনা যথেষ্ট কঠিন। ইয়াৰ কাৰণ ব্যাখ্যা কৰি *অসমৰ সাংস্কৃতিক ইতিহাস* নামৰ গ্ৰন্থত নবীন চন্দ্ৰ শৰ্মাই যি মন্তব্য আগবঢ়াইছে সি এই প্ৰসঙ্গত প্ৰণিধানযোগ্য। তেওঁ কৈছে— "ব্যক্তি জীৱনৰ প্ৰতি ভাৰতীয়সকলৰ দৃষ্টিভঙ্গী... ...ভাৰতীয়সকলে প্ৰাচীন কালৰে পৰা ঐহিক আৰু ব্যক্তি জীৱনত বিশেষ মূল্য আৰোপ নকৰিছিল। সেই কাৰণে খন্তেকীয়া সাধাৰণ মানৱ জীৱনৰ ঘটনা লিপিবদ্ধ কৰাত চকু নিদিছিল।..."দেৱতাৰ অনুগ্ৰহ অবিহনে মানৱৰ কোনো মূল্য বা অস্তিত্বই নাই, তেওঁ কোনো কাৰ্যৰেই কৰ্তা নহয়, তেওঁ কেৱল ফলভোগী, গতিকে মানৱৰ প্ৰকৃত গুণ-গৰিমা, কীৰ্ত্তন নিষ্প্ৰয়োজনীয়। ভাৰতীয়সকলৰ এনেবিধৰ বিনীত-মানসিকতা আৰু প্ৰগাঢ় দেৱভক্তিৰ বাবেই ভাৰতীয় সাহিত্যত প্ৰকৃত চৰিতৰ অভাৱ।" সেই কাৰণে কোনো মানৱীয় চৰিতৰ বৰ্ণনা দৈৱী পুৰুষৰ অলৌকিক কাৰ্যকলাপৰ প্ৰভাৱত মানৱীয় চৰিত্ৰাঙ্কন ম্লান পৰা দেখা যায়।

সি যি হওক প্ৰাচীন চৰিত বা আধুনিক জীৱনী যি ৰচনাই হওক কিয় কোনো বিশিষ্ট ব্যক্তি বা সন্ত পুৰুষৰ জীৱন আৰু কাৰ্য্যাৱলীৰহে যিহেতু বৰ্ণনা সন্নিৱিষ্ট হয়, গতিকে ব্যক্তিজনৰ আদৰ্শাত্মক দিশটোৰ ওপৰতহে বেছি চকু ৰখা হৈছিল। তেনে আদৰ্শাত্মক ব্যক্তি যিহেতু দৈৱী পুৰুষৰ লক্ষণজাত, গতিকে তেনে ব্যক্তিৰ আদৰ্শহীন কাৰ্য বা চৰিত্ৰৰ বৰ্ণনাৰে তেওঁক সমাজৰ আগত হেয় কৰাৰ মানসিকতা পোষণ কৰিব নোৱাৰাটোৱেই হয়তো স্বাভাৱিক। তেওঁলোকে এইটো ধাৰণাহে দিব বিচাৰে যে সেই বিশেষ ব্যক্তিজন দৈৱী পুৰুষজনৰ সৈতে যেন কোনো ধৰণৰ পাৰ্থক্য নাই। এনে দৈৱ অনুকম্পাৰে সিঞ্চিত মহানুভূতিৰ বাবে চৰিতৰ প্ৰাচীন স্তৰৰ চৰিতখিনিত বিশুদ্ধতাৰ অভাৱ স্পষ্ট ৰূপত পৰিলক্ষিত হৈছিল। অৱশ্যে এইটোও কোৱা সমীচীন হ'ব যে ভাৰতীয় চৰিত ইতিহাসৰ পৰা বিশ্ব চৰিত ইতিহাসলৈ অথবা অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিত ৰচিত সমগ্ৰ চৰিত সাহিত্যৰ ধাৰাতেই ব্যক্তিবিশেষৰ আদৰ্শাত্মক দিশটো বিশেষভাৱে উন্মোচিত হৈছিল বুলিব পাৰি। দৰাচলতে *চৰিত পুথি*সমূহৰ এই নৈতিক আদৰ্শৰ বাবেই সমাজত এইবোৰক আজিও অতি সন্মানৰ চকুৰে চোৱা হয়। অসমীয়া চৰিতখিনিও কেৱল বৈষ্ণৱ ধৰ্মৰ মাজতে নহয় সমগ্ৰ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰো সন্মানৰ বস্তু।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *সন্ত চৰিত* (Hagiography)-ৰ লক্ষণ সম্পৰ্কে চমুকৈ লিখক। (৫০টা শব্দৰ ভিতৰত লিখক।)

১২.৩.১ অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ভাৰতীয় *চৰিত পুথিৰ* ইতিহাস বৰ পুৰণি। পিছে অসমীয়া *চৰিত পুথি* বা চৰিত সাহিত্যৰ ইতিহাস সিমান পুৰণি নহয়। নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিৰোভাৱৰ পিছত সৃষ্ট এইবিধ সাহিত্য তাৰ আগতে ৰচনাৰ কোনো প্ৰমাণ আমাৰ হাতত নাই। *গুৰু চৰিত কথা* মতে মাধৱদেৱেই এই পৰম্পৰাৰ প্ৰধান আৰু প্ৰথম প্ৰৱৰ্তক। অৰ্থাৎ তেৱেঁই গুৰুজীৱনৰ (শঙ্কৰদেৱৰ) চৰিতৰ ব্যাখ্যা আন দহো ভকতৰ সন্মুখত গুণানুকীৰ্তনৰ জৰিয়তে 'চৰিত তোলা' প্ৰথাৰ সূচনাৱে এইবিধ সাহিত্য পৰম্পৰাৰ শুভাৰম্ভণি কৰে। 'চৰিত তোলা প্ৰথা' সম্পৰ্কত মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখা* গ্ৰন্থত এটি সুন্দৰ ব্যাখ্যা আগবঢ়াইছে— "আমাৰ দেশৰ সত্ৰ-থান আদিত কীৰ্ত্তন-প্ৰসঙ্গৰ পিছতে 'চৰিত তোলা' বা 'চৰিত চৰ্চা' বুলি এটি ৰীতি প্ৰচলিত আছে ঃ নিত্য বা নৈমিত্তিক কোনো উপলক্ষ্যত ভকতসকল গোট-পিট খাই গুৰুৰ জীৱন-কাহিনী এফালৰ পৰা আলোচনা কৰে। ঠায়ে ঠায়ে পদ-চৰিতৰ পৰাও একোডোখৰ সুৰ লগাই গায়। এজন কথকে কওঁতে কিবা আঁসোৱাহ ওলালে আন এজনে তাক পোনাই ঠিক বাটলৈ আনি দিয়ে। কোনো সজ্জনৰ ঘৰতো কেতিয়াবা দহ ভকত একে লগ হৈ এনে প্ৰসঙ্গ প্ৰৱৰ্তন কৰে। কেতিয়াবা কেতিয়াবা তেওঁলোকৰ মন গুৰু-মাহাত্ম্যত ইমান মজে যে তিনি-চাৰি দিন চৰিত চৰ্চা লেঠাৰিকৈ চলি থাকে। এনে ধৰণে চৰিত তোলাৰ ভিতৰত মন কৰিবলগীয়া কথা এইয়ে যে— গুৰুসকলৰ অনেক উক্তি বেদ-বাণীৰ দৰে লৰচৰ নোহোৱাকৈ অনেক কাল অনেক থান-সত্ৰত একে ধৰণে আবৃত্তি কৰা হৈ আহিছে আৰু এনেকৈয়ে গুৰু-কথাৰ ঐতিহ্যৰ এটি শকত সোঁত চাৰি-পাঁচশ বছৰে বৈ আহিছে।" যি 'চৰিত তোলা' প্ৰথাৰ দ্বাৰা অনুপ্ৰাণিত হৈ অনিৰুদ্ধ দাসে পদ চৰিত ৰচনা কৰিছিল,

"কথা ৰূপে ভক্তসৱে চৰ্চে ঠাই ঠাই।
পদ-ছন্দে কৰিবাক মোৰ অভিপ্ৰায়।।"

গতিকে ক'ব লাগিব যে *চৰিত পুথিৰ* উদ্ভৱত সত্ৰসমূহৰ ভূমিকা অপৰিসীম। যদিও চৰিত চৰ্চা কেতিয়াবা কোনো ভকত-সজ্জনৰ ঘৰতো হৈছিল, তথাপি চৰিত চৰ্চাৰ বাবে অগ্ৰাধিকাৰ পোৱা মুখ্য স্থানসমূহ আছিল প্ৰকৃততে সত্ৰসমূহ। সত্ৰসমূহ যে চৰিত চৰ্চাৰ প্ৰাণকেন্দ্ৰ আছিল সেই কথা বিভিন্ন সত্ৰত পোৱা *চৰিত পুথি*সমূহলৈ লক্ষ্য কৰিলেই

উমান পাব পাৰি। তাৰ ভিতৰত মধ্যযুগীয় গদ্য সাহিত্যৰ অপূৰ্ব নিদৰ্শন *কথা গুৰু চৰিত* (পিছলৈ গুৰু চৰিত কথা)ৰ ৰচিত আৰু সংৰক্ষিত সত্ৰ হ'ল বৰপেটা সত্ৰ; *গুৰু চৰিত* ৰচনা কৰা হয় বৰদোৱা সত্ৰৰ মজিয়াত; আউনিআটি সত্ৰত ৰচিত কেইখনমান উল্লেখযোগ্য চৰিত হ'ল *বংশীগোপাল চৰিত, হৰিদেৱ চৰিত, লক্ষীনাথ দেৱ-চৰিত*; সেইদৰে দক্ষিণপাট সত্ৰও ৰচিত হৈছে *বনমালীদেৱ চৰিত*।



জানি থোৱা ভাল

'সত্ৰ' চাৰি প্ৰকাৰৰ ঃ ব্ৰহ্ম সংহতিৰ সত্ৰ, পুৰুষ সংহতিৰ সত্ৰ, কাল সংহতিৰ সত্ৰ আৰু নিকা সংহতিৰ সত্ৰ। ব্ৰহ্ম সংহতিৰ সত্ৰৰ প্ৰতিষ্ঠাতা দামোদৰদেৱ আৰু হৰিদেৱ, পুৰুষ সংহতি আৰু নিকা সংহতি সত্ৰৰ প্ৰতিষ্ঠাতা পুৰুষোত্তম ঠাকুৰ আৰু মথুৰাদাস বুঢ়া আতা, সেইদৰে কাল সংহতি সত্ৰৰ প্ৰতিষ্ঠাতা গোপালদেৱ।

সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্ৰাৰম্ভলৈকে পৰিব্যাপ্ত অন্যতম প্ৰাচীন অসমীয়া ভাষা সাহিত্যৰ এই যুগটো সপ্তদশ শতিকাৰ পৰা অষ্টাদশ শতিকাৰ ভিতৰত অধিকাংশ *চৰিত পুথি*ৰ ৰচনা হৈছিল। 'গদ্য' আৰু 'পদ্য'—এই দুয়োটা মাধ্যমতে *চৰিত পুথি*সমূহ ৰচনা কৰা হৈছিল। অৱশ্যে গদ্য চৰিততকৈ পদ্য চৰিতৰ সংখ্যা সৰহ। পদ্যত ৰচিত *চৰিত পুথি*সমূহৰ ভিতৰত উল্লেখযোগ্য *চৰিত পুথি* কেইখনমান হ'ল— ৰামচৰণ ঠাকুৰৰ *শঙ্কৰ চৰিত* (গুৰু-চৰিত), ভূষণ দ্বিজৰ *শঙ্কৰ চৰিত*, দৈত্যাৰি ঠাকুৰৰ *শঙ্কৰদেৱ মাধৱদেৱ চৰিত*, ৰামানন্দ দ্বিজৰ *বংশীগোপাল চৰিত*, নীলকণ্ঠ দাসৰ *দেৱ দামোদৰদেৱ চৰিত্ৰ*, দামোদৰ দাসৰ *গুৰু চৰিত্ৰ*, অনিৰুদ্ধ দাসৰ *গুৰু বৰ্ণনা* আদিয়েই উল্লেখযোগ্য। সেইদৰে গদ্য বা কথাৰ মাধ্যমত ৰচিত চৰিতসমূহৰ ভিতৰত দুজনা গুৰু, নজনা আতা আৰু দুজনা ঠাকুৰৰ চৰিত বৰ্ণনাৰে বৰ্ণিত উপেন্দ্ৰ নাথ লেখাৰু সম্পাদিত *কথা গুৰু চৰিত* অন্যতম। অৱশ্যে গ্ৰন্থখনি মহেশ্বৰ নেওগৰ সম্পাদনাৰ সময়ত *গুৰু-চৰিত কথা* ৰখা হয়। গদ্যত ৰচিত আন এখন চৰিত হ'ল মহেশ্বৰ নেওগ সম্পাদিত *বৰদোৱা চৰিত*। গোবিন্দ দাসৰ *সন্ত সম্প্ৰদা কথা*ও গদ্য চৰিতৰ আন এখন উল্লেখযোগ্য গদ্য চৰিতৰ নিদৰ্শন।

লিখন ৰীতিৰ ফালৰ পৰা *চৰিত পুথি*সমূহক যিদৰে 'গদ্য' আৰু 'পদ্য' এই দুটা ভাগত ভাগ কৰা হৈছে, বিষয়বস্তুৰ পিনৰ পৰাও *চৰিত পুথি*সমূহক দুটা ভাগত ভাগ কৰিব পাৰি। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে এই দুই বিধৰ এবিধত কোনো সন্ত পুৰুষ বিশেষৰ জন্মৰ পৰা মৃত্যুলৈকে বিভিন্ন কথাৰ বৰ্ণনা থাকে; দ্বিতীয় বিধত থাকে সন্ত পুৰুষজনৰ কৰ্ম আৰু গুণাৱলীৰ বৰ্ণনা।

ওপৰত প্ৰায় একাধিকবাৰ উল্লেখ কৰা হৈছে যে *চৰিত পুথি*সমূহ হৈছে নৱবৈষ্ণৱ ধৰ্মৰ পটভূমিত ৰচিত। গতিকে স্বাভাৱিকভাৱেই *চৰিত পুথি*সমূহত বৈষ্ণৱ ধৰ্মৰ বিভিন্ন

দিশ সন্নিৱিষ্ট হৈছে।কিন্তু *চৰিত পুথি*সমূহ অধ্যয়ন কৰিলে এইটো দেখিবলৈ পোৱা যায় যে *চৰিত পুথি*সমূহত কেৱল বৈষ্ণৱ ধর্মাদর্শ বা বৈষ্ণৱ আচাৰ-ৰীতিৰেই বর্ণনা নাই; ইবোৰত তৎকালীন সমাজৰ সমাজ ব্যৱস্থাৰ চিত্রনকে আদি কৰি ৰাজনৈতিক, অর্থনৈতিক পর্যন্ত বিভিন্ন দিশৰ চিত্রনৰো প্রকাশ ঘটিছিল। এই ক্ষেত্রত অসমীয়া চৰিত সাহিত্যৰ মধ্যমণি স্বৰূপ *গুৰু-চৰিত কথা*লৈ আঙুলিয়াব পাৰি। গ্রন্থখনিত সন্ত পুৰুষৰ জীৱন আৰু কার্য্যাৱলীৰ বর্ণনাৰ লগতে মধ্যযুগীয় সামাজিক বুৰঞ্জীৰ যেন প্রতিটো দিশেই উন্মোচিত হৈছে। এই পিনৰ পৰা গ্রন্থখনিক মধ্য যুগৰ ঐতিহাসিক দলিল হিচাপে অভিহিত কৰাৰ যুক্তি নিশ্চয় আছে। কেৱল বুৰঞ্জীত থকাৰ দৰে *চৰিত পুথি*ত কোনো ৰজা-মহাৰজাৰ ৰাজনৈতিক কার্য্যকলাপৰ বর্ণনা পোনপটীয়াভাৱে নাথাকে। তাৰ বিপৰীতে থাকে সর্বসাধাৰণৰ জীৱন-ধাৰণৰ বর্ণনাৰ লগতে সামাজিক আৰু সাংস্কৃতিক দিশৰ বর্ণনা। অৱশ্যে গুৰুসকলক ঈশ্বৰত্ব প্রদানৰ বাবে মাজে মাজে অলৌকিক বা অতিপ্রাকৃত ঘটনাৰ বর্ণনাও মাজে মাজে দেখিবলৈ পোৱা যায়।

এইদৰে বিচাৰ কৰিলে অসমীয়া *চৰিত পুথি*খিনি বৈষ্ণৱ ধর্মাদর্শৰ দ্বাৰা ৰঞ্জিত যদিও বিভিন্ন জাতি-উপজাতিৰ বসতিস্থল সেই সময়ৰ অসমৰ সামাজিক চিত্রৰ বর্ণনা, কৃষিজীৱী সমাজৰ জীৱন-ধাৰণৰ প্রণালী, ৰাজনৈতিক পৰিৱেশৰ চিত্রণকে আদি কৰি আর্থ-সামাজিক দিশৰ বিভিন্ন বর্ণনাৰ বাবে মধ্যযুগীয় বিভিন্ন সাহিত্য সম্পদৰ ভিতৰত *চৰিত পুথি*খিনিৰ এক সুকীয়া মূল্য সদায় আছে আৰু থাকিব। এইখিনিতে এযাৰ কথা উল্লেখনীয় যে সত্রীয়া পৰিৱেশত ৰচিত সকলোবোৰ চৰিতেই আজিও প্রকাশৰ মুখ দেখা নাই। এতিয়াও বহু পুথি হাতে লিখা অৱস্থাতে আছে। সেই সমূহ পুথি প্রকাশ হ'লে *চৰিত পুথি*সমূহৰ মর্য্যাদা বৃদ্ধি পোৱাৰ লগতে নন তথ্যবোৰ যে সমল ওলাব তাত কোনো সন্দেহ নাই।



চিন্তা-চর্চা কৰক ১১.১

অসমীয়া *চৰিত পুথি*ৰ উদ্ধৃত সত্রসমূহৰ ভূমিকা সম্পর্কে আলোচনা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া গদ্য চৰিত সম্পর্কে এটি টোকা লিখক। (৫০টা শব্দৰ ভিতৰত লিখক।)

১২.৩.২ অসমীয়া *চৰিত পুথিৰ* বৈশিষ্ট্য

ভাষা আৰু সাহিত্যৰ যিবোৰ সম্পদে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ মধ্যযুগটোক মহীয়ান কৰি ৰাখিছে সেই সমূহ সাহিত্য সম্পদৰ ভিতৰত *চৰিত পুথিৰ* স্থান নিঃসন্দেহে অতি উচ্চ। অসমীয়া *চৰিত পুথিৰ* উদ্ভৱ প্ৰসঙ্গতে *চৰিত পুথিৰ* স্থান আৰু বিষয়বস্তু সম্পৰ্কেও কিছু ধাৰণা লাভ কৰিব পাৰি। সেই আলোচনাতে স্পষ্ট হৈছে যে যদিও বৈষ্ণৱ ধৰ্ম আৰু সত্ৰসমূহৰ আশ্ৰয়তে *চৰিত পুথি*সমূহ ৰচিত হৈছে, তথাপি আন কেইটামান দিশতো চৰিতসমূহ খুবেই গুৰুত্বপূৰ্ণ। তাৰে ভিতৰত উল্লেখযোগ্য হ'ল ইয়াৰ কথাৰীতি বা গদ্যৰীতি। অসমীয়া সাহিত্যৰ মধ্যযুগটোৰ সময় ধৰা হয় ষোড়শ শতিকাৰ একেবাৰে শেষ বা সপ্তদশ শতিকাৰ প্ৰাৰম্ভৰ পৰা অষ্টাদশ শতিকাৰ শেষৰ সময়ছোৱালৈকে। এই সময়ছোৱাত *চৰিত পুথি,* বুৰঞ্জী পুথিকে আদি কৰি আন কেইবাটিও গদ্য সাহিত্যৰ স্বাক্ষৰ বহনকাৰী সাহিত্য-উপাদানৰ জন্ম হয়।এই সকলোৰে ভিতৰত আধুনিকতাৰ পিনে ধাৱিত দুটি গদ্যৰ ধাৰা হ'ল *চৰিত পুথি* আৰু বুৰঞ্জী পুথিৰ গদ্য। বুৰঞ্জীৰ গদ্য সম্পৰ্কত পৰৱৰ্তী অধ্যায়ত আলোচনা কৰা হ'ব। পদ্যত লিখা *চৰিত পুথিৰ* ভিতৰত গদ্যত লিখা *চৰিত পুথিৰ* সংখ্যা তাকৰ। তাকৰ হ'লেও গদ্য নিদৰ্শনৰ পৰ্যাপ্ত আলোচনাৰ বাবে *গুৰু চৰিত কথা* বা *ৰৰদোৱা চৰিতেই* যথেষ্ট। দৰাচলতে গদ্যৰীতিৰ বাবেই এইসমূহ চৰিত যথেষ্ট বৈশিষ্ট্যপূৰ্ণ। পদ্যত লিখা চৰিতসমূহেও প্ৰাচীন ছন্দ-ৰীতিৰ মাধ্যমত ৰচিত হোৱাৰ বাবে ইবোৰে সাহিত্যিক সৌন্দৰ্য্য অটুট ৰাখিবলৈ সক্ষম হৈছে। তদুপৰি ভকতীয়া ঠাঁচকে আদি কৰি ঐহিক জীৱনৰ ঘটনা বৰ্ণনাৰ বাবে সৰ্বসাধাৰণে সততে ব্যৱহাৰ কৰা ভাষা-ৰীতিকে গদ্য চৰিতত ব্যৱহাৰ কৰাত ই সকলোৰে বাবে সুখপাঠ্য হৈছে। ইয়াৰ বাহিৰেও সামাজিক বুৰঞ্জীৰ দলিত ৰূপে আখ্যায়িত *চৰিত পুথি*সমূহত প্ৰকাশিত সমাজৰ বিভিন্ন দিশৰ বৰ্ণনাইয়ো *চৰিত পুথি*খিনিক বৈশিষ্ট্যপূৰ্ণ কৰি তোলাত সহায় কৰিছে। তলত ইয়াৰ আধাৰতে *চৰিত পুথি*সমূহৰ কেতবোৰ বৈশিষ্ট্য উল্লেখ কৰা হ'ল—

- *চৰিত পুথিৰ* গদ্যৰীতিৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল কথনভঙ্গীৰ নাটকীয়তা। ভকতীয়া বা সত্ৰীয়া পৰিৱেশতেই আচলতে নাট্যধৰ্মীতা লুকাই থাকে। বিৰিঞ্চি কুমাৰ বৰুৱাই *অসমীয়া কথা সাহিত্য* গ্ৰন্থত 'সাধাৰণতে কথা কোৱা ৰীতিত নাটকীয় ঠাঁচকে থাকে' বুলি উল্লেখ কৰিছে। *গুৰু চৰিত কথা* এনে নাটকীয় কথনৰীতিৰ উৎকৃষ্ট নিদৰ্শন "আৰু একদিনা আএ গুৰুজনক স্নান ভোজন কৰাই তৈল দি বোলে টামন, তোৰ আৰু পঢ়িবৰ মন নাই। ভণ্টাখেৰি গৰুজাকতহে চিত্ত। বাৰে বৎসৰীয়া হলিকে। আমাৰ বংশত অপণ্ডিত নাই। তই মুৰ্খ হব খুইছনে? দৈৱজ্ঞে চাই পণ্ডিত হব বুলি কলে সিও দেখো মিছা হল। আমাৰেসে কৰ্ম্ম তৰে, পণ্ডিতৰো বাক্য লৰে। ৰাজাক স্বদেশে পূজে বিদ্যাৱন্ত সৰ্ব্বদেশে পূজ্য; মাতা শত্ৰু পিতা বৈৰী, জেন বাল্য ন-পাঠিতা। সভামধ্যে নোশোভন্তি হংস মাজে বকো জথা।"

- সহজ-সৰল প্ৰকাশভঙ্গী আৰু পোনপটীয়া ভাষাৰ প্ৰয়োগ *চৰিত পুথিৰ* আন এটি অন্যতম বিশেষত্ব। ইয়াৰ প্ৰকৃষ্ট নিদৰ্শন— "পাছে মহাপুৰুষ নিতে নিতে বাঢ়ি জৌৱন হৈ আহিছে।"
- *চৰিত পুথিত* কথোপকথন ৰীতিত এক সুকীয়া বিশেষত্ব চকুত পৰে। এজনে কৈ যায় বা বৰ্ণনা কৰি গৈ থকাৰ মাজতে আন এনে প্ৰশ্ন সুধিছে, আনজনে আকৌ উত্তৰ দি গৈছে। যেনে— "আৰু একদিনা গুৰুজন আগে উঠা পৰত বেলা হল সয়ন ঃ শৃৱাম আতা বোলে বাপ আজি দেখো বেলা হল ঃ বোলে স্বপ্নতে জযোদা আইৰে কৃষ্ণৰে দন্দ লাগিচিল ঃ দন্দ ভাঙ্গোতেই বেলা হল আজি।"
- চুটি চুটি বাক্যৰ প্ৰয়োগ *চৰিত পুথিৰ* গদ্যৰ আন এটি প্ৰধান বৈশিষ্ট্য। এনে চুটি চুটি বাক্য প্ৰয়োগে গদ্যৰ প্ৰকাশিকা শক্তি বৃদ্ধি কৰাৰ লগতে বিষয়বস্তুকো স্পষ্ট ৰূপত দাঙি ধৰাত সহায় কৰিছে। যেনে— "তেহে গুৰুজনে বোলে বাৰু দৃষ্টান্ত দিলা ঃ আমাৰ দুই পদ পাতিলা সুবৰ্ন্নৰ তম্ভ ঃ তোমাৰ মন হল হস্তি ঃ গুৰুবাক্য জ্ঞানে হল অংকুস ঃ পৰমাত্মা মাহুত ঃ ৰাজা পৰমগুৰু মোৰ শৃশঙ্কৰদেৱ ঃ বুদ্ধি সৌকা চিতে কায় ঃ এই ক্ৰমে যেৱকে প্ৰবত্তিব।"

  এইখিনিতে এটা কথা উল্লেখযোগ্য যে চৰিতত যে কেৱল চুটি বাক্যৰেই প্ৰয়োভৰ আছে তেনে নহয়, ভাব আৰু ভাষাৰ সমতা ৰক্ষাৰ্থে দীঘলীয়া বাক্যতো প্ৰয়োগ ঘটিছে। কিন্তু তেনে দীঘলীয়া বাক্যৰ কেতিয়াও পাঠকৰ বাবে আমনিদায়ক হোৱা নাই।
- যদিও *চৰিত পুথিৰ* গদ্য কথিত ৰূপৰ ওচৰ চপা তথাপি বৰ্ণনীয় বিষয়বস্তু ভক্তি ধৰ্মৰ ধাৰাৰে প্ৰবাহিত হেতু এই গদ্যত সুৰুচিপূৰ্ণ তথা গাম্ভীৰ্য্যপূৰ্ণ অথবা পৰিমাৰ্জিত ৰূপটোও দেখিবলৈ পোৱা গৈছে— "তেহে শৃৱাম আতা সুধিছে গুৰুজনে কৈছে চৰ্চ্চি বোলে বৰাপো আমাৰ সঙ্গে অনেক জাব চই সাৎ কুৰিও ঃ আৰু তুমি নাৰায়ন সাতিসৱ ঃ বৰাপো শাখা বাঢ়ি অনেক জিৱ জাব। আৰু পুত্ৰপৌত্ৰ অংশে যদুবংশে আহি সন্তৰূপ ধৰি তাৰিব ঃ সাৎ পুৰুষৰ অন্তে একা দুই এক জি সাৰিব ঃ অন্য দেউ আন মন ঃ বাত পৰদাৰা ঃ বৃষ্টি সঙ্গ মাৰ্গে দ্রোহ ঃ দিশ পূৰ্ব্বাপৰ চাব ঃ এই মতে ৰৈ জিসবে ভক্তি কৰিলে মানস সৰোবৰ বৈকুণ্ঠ পাবগৈ" (গুৰু চৰিত কথা)।
- কথিত ভাষাৰ কথনশৈলী গদ্য চৰিতৰ প্ৰধান বৈশিষ্ট্য। গতিকে স্বাভাৱিকতে কথিত শব্দৰ প্ৰয়োগ *চৰিত পুথিত* সৱহ। তাতোকৈ সৱহ নামনি অসমৰ কথিত শব্দৰ। যেনে— "তেনেকৈ বুলিলতো আই মাতৃৰ আপীক দিবৰ প্ৰবীণ চিত" *(গুৰু-চৰিত কথা)*। নামনিৰ কামৰূপীৰ প্ৰভাৱ বেছি।

  কিন্তু এই প্ৰসঙ্গত এটা কথা ক'বই লাগিব যে যদিও *চৰিত পুথিত* কথিত শব্দৰ প্ৰভাৱ প্ৰচুৰ তাৰ সমান্তৰালভাৱে তৎসম, তদ্ভৱকে আদি কৰি দেশী (হিন্দী, বাংলা), বিদেশী (আৰবী-পাৰ্চী) নানান শব্দই ভূমুকি মৰাও দেখা যায়। যেনে— হস্তী, পদ্ম,

দুগ্ধ (তৎসম); ভকতি, ভুকুতি (অর্ধ-তৎসম); সোন, মাছ, মানুহ (তদ্ভৱ) ইত্যাদি। সেইদৰে বিদেশী শব্দৰ উদাহৰণ— ফিৰিঙ্গ, জামিন, চিজ ইত্যাদি।

- বর্ণনীয় বিষয়ৰ স্পষ্টতা তথা গভীৰতা আনিবলৈ পৃথিৰীৰ সকলো ভাষাত থকাৰ দৰে অসমীয়াতো কথাৰ ফাঁকে ফাঁকে জতুৱা ঠাঁচ, খণ্ডবাক্য অথবা ফকৰা-যোজনাৰ প্রয়োগ মন কৰিবলগীয়া। চৰিতৰ ভাষাইয়ো এনেবোৰ ভাষাৰীতিক এৰাই চলিব পৰা নাই। অসমীয়া *চৰিত পুথিত* পোৱা এনে কেতবোৰ জতুৱা ঠাঁচ আৰু ফকৰা-যোজনাৰ উদাহৰণ হ'ল—

  জতুৱা ঠাঁচ বা খণ্ডবাক্য ঃ গা জাকি মাৰি, কটাৰ পো কটাহত, কণা হাঁহক পতান ধান দি, গর্ভ বেকত হ'ল, বধ শপত দি, পাৰো কি চাৰো, নিগুণত গুণ দিব খোজা।

  ফকৰা-যোজনা ঃ *'পশু নকৰিবা শৰ, মৰাও নানিবা জিয়াও নানিবা*
  সুধা হাতে নপসিবা ঘৰ।'
  'ভাণ্ড পৰশি লৱণু থবা ঃ শিষ্য পৰশি জ্ঞান কথা।'
  'আহিছা হৰিপো, কি বুলি কাঢ়িলা ৰাও।
  সংসাৰ জুৰি গুৰু বহিছে ক'ত দি আহিলা পাও।।'
  'আগে উপজিল ছোট ভাই
  পাছে উপজিল কাকা।
  কেৰমেৰকৈ মাক উপজিল
  তেহে উপজিল বাপা।।'

- *চৰিত পুথিৰ* কথাৰীতিৰ এটা প্রধান বৈশিষ্ট্য হ'ল অসমাপিকা ক্রিয়াৰ সঘন প্রয়োগ। *গুৰু-চৰিত কথাৰ* পাতে পাতে এনে অজস্র অসমাপিকা ক্রিয়াৰে বাক্য শেষ কৰা উদাহৰণ পোৱা যায়। যেনে— "পৰিচর্য্যাখানি কৰাই ঃ কট পৰাই দিএ গুৱাখানি দিয়াই ঃ বহালৈ মাচ খাবিৰ সাক লোন তেল জলকিয়া বেঙ্গেনাটি দি পঠাই" অথবা "সেই দিনাও প্রসাদ নলই ঠেস পাতি ঃ দুও উঠিল ককালত কাপ বান্ধি ঃ তাৰাও পাচি থৈ যুদ্ধ সাজে"।
- অনুৰূপ শব্দ আৰু যুৰীয়া শব্দৰ প্রয়োগো *চৰিত পুথিত* কম নহয়। এনেবোৰ শব্দৰ প্রয়োগেও *চৰিত পুথিৰ* ভাষাক কথিত ৰূপৰ কাষলৈ ওচৰ চপাই নিছে। এনে কেইটামান উদাহৰণ হ'ল— খেতি-কৃষি, খুজি-বাড়ি, গীত-ৰাগ, দ্রব্য-বস্তু, ঘাটৰ-বাটৰ, তাৰণ-কাৰণ, তুতি-তুষ্ট, বিবাদ-সংগ্রাম, হেনা-হুচা, কট-কম্বল ইত্যাদি।
- কথাৰ মাজে মাজে কোনো ঘোষা-পদ বা উদ্ধৃতিৰ ব্যৱহাৰে গদ্যক বহু সময়ত কাব্যধর্মী কৰি তোলাও দেখা যায়। তদুপৰি মাজে মাজে কেতিয়াবা গীতাংশৰো উদ্ধৃতি কৰা হৈছে। কাব্যধর্মীতাৰ সুন্দৰ নিদর্শন হ'ল—

  তোহ্মাৰ ভৃত্যৰ ভৃত্যৰো ভৃত্যৰ তাৰো ভৃত্য ভৈলো আমি।
  মোক জগন্নাথ নকৰা অনাথ নেড়িবা মাধৱ স্বামি।।

অথবা,


সুহৃদ হৰিনাম সমস্তৰে।
তান অপৰাধ জি নৰে কৰে।।
তাহাৰ ৰক্ষাৰ নাহি উপাই।
অৱশ্যে সিটো অধোগতি জাই।।
হৰিও ৰাখিবে নোৱাৰে তাক।
সুনিয়া নাৰদে বুলিলা বাক।।

তদুপৰি গদ্যৰীতিৰ মাজে মাজে বর্ণিত কাব্যৰূপত বিভিন্ন কাব্যালংকাৰ, যেনে— অনুপ্রাস, ৰূপক, উপমাকে আদি কৰি ছন্দ সজ্জাৰ বাবে প্রয়োজনীয় পদ বা পয়াৰ, দুলড়ী, লেচাৰী, ছবি, ঝুনা, ঝুমুৰী আদি ছন্দৰ প্রয়োগে চৰিতক গদ্যৰ মাজতো কাব্যগন্ধী কৰি তুলিছে।



চিন্তা-চর্চা কৰক ১১.২

গুৰু-চৰিত কথাৰ আধাৰত *চৰিত পুথিৰ* গদ্যশৈলীৰ বৈশিষ্ট্য নিৰূপণ কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ *চৰিত পুথিত* ব্যৱহৃত তৎসম, অর্দ্ধ-তৎসম আৰু তদ্ভৱ শব্দৰ এখন চুটি তালিকা প্রস্তুত কৰক।

(১০০টা শব্দৰ ভিতৰত লিখক।)

১২.৩.৩ অসমীয়া *চৰিত পুথিৰ* লেখকসকল

ওপৰত উল্লেখ কৰি অহা হৈছে যে এতিয়াও বহু *চৰিত পুথিয়ে* প্রকাশৰ মুখ দেখিবলৈ সক্ষম হোৱা নাই। তেনে বহু চৰিত সত্রসমূহৰ বৰপেৰাত আজিও সিঁচৰতি হৈ আছে। সেইসমূহ পোহৰলৈ অনাটো অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ নৈতিক ধর্ম হিচাপে বিবেচিত হৈছে। কাৰণ সেইসমূহ চৰিত প্রকাশৰ বাটলৈ আহিলে অসমীয়া সংস্কৃতিৰো বহু সমল পোহৰলৈ যে আহিব সি ধুৰূপ। বর্তমান সাহিত্যৰ বুৰঞ্জী সমূহতো প্রকাশিত চৰিত আৰু চৰিতকাৰসকলৰ বিষয়েহে আলোচনা-বিলোচনা হৈছে। গতিকে সেইসমূহ পৰিচিত চৰিতকাৰসকলৰ বিষয়েহে এটি থূল-মূল আভাস দিয়াৰ প্রয়াস কৰা হৈছে।

- **ৰামচৰণ ঠাকুৰ ঃ** চৰিতকাৰৰ আলোচনাৰ প্রসঙ্গ আহিলে প্রথমতেই পোৱা হয় ৰামচৰণ ঠাকুৰৰ নাম, কাৰণ তেওঁৰ দ্বাৰা ৰচিত *শঙ্কৰ চৰিতখনেই* কালগতভাৱে

প্ৰথম চৰিত বুলি বিভিন্ন পণ্ডিতে মত আগবঢ়াইছে। অৱশ্যে মাধৱদেৱৰ ভাগিনীয়েক তথা ৰামদাসৰ পুত্ৰ ৰামচৰণ ঠাকুৰৰ দ্বাৰা *শঙ্কৰ চৰিত*খন লিখা হৈছিল নে নাই কিছু সন্দেহৰ অৱকাশ আছে, কাৰণ তেওঁৰে পুত্ৰ দৈত্যাৰি ঠাকুৰে *শঙ্কৰ-মাধৱ চৰিত* ৰচনাৰ সময়ত বাপেকৰ পৰা মহাপুৰুষ দুগৰাকীৰ বিষয়ে মৌখিকভাৱেহে কিছু জানিব পাৰিছিল আৰু তেওঁৰ সন্মুখত তেনে জাতীয় কোনো আৰ্হি নাছিল বুলি উল্লেখ কৰালৈ চাই এইজন ৰামচৰণে *শঙ্কৰ-চৰিত*খন ৰচনা কৰা-নকৰাকৈ কিছু প্ৰশ্ন জাগে। তদুপৰি কিছু তৰাং আৰু অলৌকিকতাৰ বৰ্ণনাও গ্ৰন্থখনত সৱহ। অথচ এইজন ৰামচৰণেই শঙ্কৰদেৱৰ সংস্কৃতত লিখা *ভক্তি ৰত্নাকৰ* গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰে। সি যি কি নহওক *কংস বধ* নামে এখন অঙ্কীয়া নাট *ভক্তি-ৰত্ন* নামে এখন ভক্তিবাদৰ গ্ৰন্থৰ প্ৰণেতা ৰামচৰণ ঠাকুৰ ষোড়শ শতিকাৰ সাহিত্যিক।

- **ভূষণ দ্বিজ ঃ** ভূষণ দ্বিজ চক্ৰপাণি ব্ৰাহ্মণৰ দ্বিতীয় পুত্ৰ বৈকুণ্ঠৰ পুত্ৰ। এওঁ *শ্ৰীশ্ৰীশঙ্কৰদেৱ* নামেৰে এখন চৰিত ৰচনা কৰে। ৰচনাৰ কাল ষষ্ঠদশ শতিকাৰ মাজভাগ বুলি অনুমান কৰা হৈছে। পুথিখনি লিখাৰ পৰত শঙ্কৰদেৱৰ দুই নাতি আৰু নাৰায়ণ ঠাকুৰৰ দৰে সন্ত পুৰুষৰ পৰা গুৰু সম্পৰ্কীয় অনেক তথ্য সংগ্ৰহ কৰিছিল। দৈত্যাৰি ঠাকুৰৰ সৈতে কিছু কিছু কথাত অমিল থাকিলেও অথবা তেওঁৰ বৰ্ণনা লক্ষ্যণীয়ভাৱে চুটি যদিও প্ৰতিটো বৰ্ণনা তথ্য নিৰ্ভৰ। ইয়াতেই তেওঁৰ পটুতাৰ পৰিচয় পোৱা যায়। তদুপৰি আন কেতবোৰ চৰিতৰ দৰে অলৌকিক বৰ্ণনাও কম। ভূষণ দ্বিজে *অজামিল উপাখ্যান* আৰু *স্যমন্ত হৰণ* নামৰ দুখন অঙ্কীয়া নাটো ৰচনা কৰে।
- **দৈত্যাৰি ঠাকুৰ ঃ** ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰৰ দ্বাৰা ৰচিত চৰিত হ'ল *শঙ্কৰদেৱ-মাধৱদেৱ চৰিত*। তেওঁৰ চৰিতখনিৰ বিষয়বস্তুৰ এটি প্ৰধান বিশেষত্ব হ'ল তেওঁৰ চৰিতত শঙ্কৰদেৱতকৈ মাধৱদেৱৰ জীৱন আৰু কাৰ্য্যাৱলীৰ বৰ্ণনাহে অধিকভাৱে কৰিছে। ভূষণ দ্বিজৰ চৰিতৰ দৰে তেওঁৰ চৰিতখনিতো অলৌকিক বা অতিপ্ৰাকৃত ঘটনাৰ বৰ্ণনা কম। দৈত্যাৰিয়ে চৰিত লিখাৰ সময়ত মধুপুৰ সত্ৰৰ সত্ৰীয়া বুঢ়ীৰ পো গোৱিন্দ আতৈৰ পৰা সহায় পাইছিল। সত্যেন্দ্ৰনাথ শৰ্মাই দৈত্যাৰি ঠাকুৰৰ দ্বাৰা ৰচিত চৰিতখনৰ সময়কাল হিচাপে সপ্তদশ শতিকাৰ চতুৰ্থ-পঞ্চম দশকৰ ভিতৰত শেষ কৰে বুলি কৈছে। *নৃসিংহ যাত্ৰা* আৰু *স্যমন্ত হৰণ* নামৰ আন দুখন নাটৰো স্ৰষ্টা দৈত্যাৰি ঠাকুৰৰচৰিতখনিৰ বৰ্ণনা সুৱলা আৰু পৰিপাটিৰ বাবে গ্ৰন্থখনিয়ে উচ্চ স্থানৰ দাবী কৰিব পাৰে।
- **ৰমানন্দ দ্বিজ ঃ** ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য শ্ৰীৰাম আতাৰ পুত্ৰ ৰমানন্দ দ্বিজ সপ্তদশ শতিকাৰ শেষাংশৰ চৰিতকাৰ বুলি অনুমান কৰা হৈছে। তেওঁ পিতৃৰ উত্তৰাধিকাৰী সূত্ৰে কালজাৰত সত্ৰীয়া হয় যদিও পৰৱৰ্তী সময়ত আতন বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ পৃষ্ঠপোষকতাত মাজুলিৰ আঁহতগুড়িত সত্ৰ পাতি সত্ৰীয়া হয়। ৰমানন্দৰ *গুৰু-চৰিতত* শঙ্কৰদেৱকে প্ৰমুখ্য কৰি মাধৱদেৱ আৰু গোপালদেৱসহ তিনিগৰাকী

গুৰুৰ জীৱন আৰু কৰ্মাৱলী বৰ্ণনা কৰিছে। অৱশ্যে শঙ্কৰদেৱৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰতহে অধিক গুৰুত্ব দিয়া দেখা গৈছে। ৰমানন্দৰ মতে এই তিনিও গৰাকী গুৰুকেই ভগৱানৰ অৱতাৰী পুৰুষৰ ৰূপত কল্পনা কৰা দেখা যায়। উল্লেখযোগ্য যে ৰমানন্দৰ *গুৰু-চৰিত* শ্রুতি পৰম্পৰাৰ ওপৰত প্রতিষ্ঠিত বুলি সত্যেন্দ্রনাথ শর্মাই তেওঁৰ *সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্তত* উল্লেখ কৰিছে, কাৰণ শঙ্কৰ-মাধৱ সম্পর্কীয় প্রায় সকলো কথা পিতৃ শ্রীৰামৰ পৰাই জানি লৈছিল; যিহেতু ৰমানন্দই শঙ্কৰদেৱক লগ পোৱা নাছিল, লগ পাইছিল অথবা সান্নিধ্যলৈ আহিছিল পিতৃহে। গতিকে শুনা কথাৰে লিপিবদ্ধ কৰাত ঠাইলৈ কোনো বৰ্ণনা বিসঙ্গতি হোৱাতো স্বাভাৱিক। সি যি হওক চৰিতকাৰসকলৰ ভিতৰত ৰমানন্দ নিশ্চিতভাৱে এজন অন্যতম চৰিতকাৰ —ক'বই লাগিব।

- **ৰমানন্দ ঃ** বংশীগোপালৰ শিষ্য ৰমানন্দই তেওঁৰ গুৰু বংশীগোপালৰ জীৱন আৰু বংশীগোপালে উজনিত ধর্ম প্রচাৰৰ সময়ত পোৱা প্রতিটো প্রতিকূল চিত্র তেওঁৰ 'বংশীগোপালদেৱ চৰিত'ত সন্নিৱিষ্ট কৰিছে। গ্রন্থখনিত কেনে পৰিস্থিতিত অথবা কেনে পৰিস্থিতিৰ মুখামুখি হৈ বংশীগোপালে উজনিৰ কুৰুৱাবাহীত সত্র স্থাপন কৰিছিল তাৰ সমস্ত কথা বৰ মনোজ্ঞ আৰু নির্ভযোগ্যতাৰে বর্ণনা কৰিছে।
- **বৈকুণ্ঠনাথ দ্বিজঃ** সপ্তদশ শতিকাৰ প্রথমার্দ্ধৰ চৰিতকাৰ বৈকুণ্ঠনাথ দ্বিজে শঙ্কৰদেৱ, মাধৱদেৱ, পুৰুষোত্তম ঠাকুৰ আৰু চতুর্ভুজ ঠাকুৰ —এই চাৰিগৰাকী সন্ত পুৰুষৰ জীৱন আৰু কর্মসম্বলিত বিভিন্ন কথাৰ বর্ণনাৰে *সন্তমালা* নামৰ এখন *চৰিত পুথি* ৰচনা কৰে। পুৰুষোত্তম ঠাকুৰৰ নির্দেশ মর্মে শঙ্কৰদেৱৰ নাতিদ্বয়ৰ সহায়ত গ্রন্থখন পদত লিখি উলিয়ায়। গ্রন্থখনিত ধর্মীয় তথা জীৱনৰ কর্ম আৰু আদর্শক কিছু আবেগিকভাৱে বর্ণনা কৰিছে।
- **ৰামৰায় ঃ** গুৰু দামোদৰ দেৱ আৰু ভট্টদেৱৰ জীৱনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা চৰিত *গুৰুলীলাৰ* স্রষ্টা ৰামৰায়। গ্রন্থখনিত দামোদৰদেৱৰ জন্মৰ পৰা ভট্টদেৱৰ মৃত্যুলৈকে বিভিন্ন কথা বিবৃত কৰা হৈছে। লোচ সত্রৰ প্রতিষ্ঠাতা অর্জুনদেৱৰ শিষ্য ৰামৰায়ৰ *গুৰুলীলা* কোচ ৰজা চন্দ্রনাৰায়ণৰ ৰাজকালৰ (১৬৪৩-৬০) সময়ত ৰচিত।
- **ৰমাকান্ত দ্বিজ ঃ** বৈষ্ণৱ চৰিতকাৰসকলৰ ভিতৰত ৰমাকান্ত দ্বিজো অন্যতম। তেওঁৰ দ্বাৰা ৰচিত *শ্রীশ্রীবনমালীদেৱ চৰিতৰ* বৈশিষ্ট্য এয়ে যে পুথিখনৰ প্রায়বোৰ ফলকতে নানা ৰঙী চিত্রৰ সম্পাদন। অসমীয়া পুথি-চিত্রৰ ইতিহাস নির্ণয়ত পুথিখনিয়ে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে। গ্রন্থখনিত দক্ষিণপাট সত্রৰ প্রতিষ্ঠাতা সন্ত পুৰুষ বনমালীদেৱৰ জীৱন আৰু কৃতি সম্পর্কে বর্ণনা আছে। পুথিখন সম্প্রতি বৰপেটা সত্রত সংৰক্ষিত।
- **অন্যান্য চৰিতকাৰসকল ঃ** ইতিমধ্যে আলোচনা কৰা যিসকল চৰিতকাৰৰ বিষয়ে উল্লেখ কৰা হ'ল সেইসমূহ চৰিতকাৰৰ বাহিৰেও আন কেইগৰাকী চৰিতকাৰ হ'ল

অনিৰুদ্ধ দাস, নীলকণ্ঠ দাস, কৃষ্ণ ভাৰতী (কৃষ্ণাচার্য্য ?), সার্বভৌম ভট্টাচার্য্য, দামোদৰ দাস আদি। দামোদৰদেৱৰ পুত্ৰ ৰমাকান্তৰ ভক্ত অনিৰুদ্ধ দাসে *গুৰু-বর্ণনা* নামে এখন চৰিত ৰচনা কৰে। পুথিখনত পুৰুষোত্তম আৰু চতুর্ভূজ ঠাকুৰৰ চৰিত বর্ণনা প্ৰধান বিষয় হোৱাত শঙ্কৰ-মাধৱৰ জীৱন আভাসহে মাত্ৰ পোৱা গৈছে। নীলকণ্ঠ দাসৰ *শ্ৰীশ্ৰীদামোদৰদেৱ চৰিত* এখন উল্লেখযোগ্য *চৰিত পুথি*। গ্ৰন্থখনিত গুৰু-শিষ্যৰ সম্পৰ্কৰ আধাৰত ব্যক্তিনিষ্ঠতাৰে দামোদৰদেৱৰ জীৱন আৰু কৃতিৰ বর্ণনা কৰা হৈছে। কৃষ্ণ ভাৰতী আৰু কৃষ্ণচার্য্য দুয়ো একেজন ব্যক্তি নে দুজন ব্যক্তি সত্যেন্দ্ৰনাথ শর্মাই সন্দেহ ব্যক্ত কৰিলেও কৃষ্ণ ভাৰতীৰ নামত *সন্ত-নির্ণয়* আৰু কৃষ্ণাচার্য্যৰ নামত *সন্ত-চৰিত* নামৰ দুখন পুথি পোৱা গৈছে। দুয়োখন গ্ৰন্থতে বৈষ্ণৱ প্ৰচাৰক-সকলৰ বর্ণনা পোৱা গৈছে। শঙ্কৰদেৱৰ গুণ-গৰিমাৰে সার্বভৌম ভট্টাচার্য্যৰ নামত দুখন *চৰিত পুথি*ৰ নাম পোৱা গৈছে— *সৰু স্বর্গখণ্ড* আৰু *বৰ স্বর্গখণ্ড*। ইয়াৰ বাহিৰেও দামোদৰ দাসৰ *গুৰু-চৰিত*; ভট্টদেৱৰ নামত প্ৰচলিত *সৎ-সম্প্ৰদায়*; ভৱানন্দ দ্বিজৰ *গোবিন্দ চৰিত*; জয়নাৰায়ণৰ *লক্ষ্মীপতি চৰিত*; পূর্ণানন্দৰ *গোপালদেৱ চৰিত*; বানেশ্বৰ আৰু দিবাকৰ দ্বিজৰ *হৰিদেৱ চৰিত*; বিভূ নাথৰ *এটকা মহন্তৰ ঝুনা*; হৰিনাৰায়ণ দ্বিজ আৰু ৰতিকান্ত দ্বিজৰ *ঠাকুৰ চৰিত*; কবিৰাজ সনন্দৰ *শিয়ালা গোসাঁইৰ চৰিত* আদি কেইখনমান উল্লেখযোগ্য চৰিত।

ওপৰত উল্লিখিত সকলো চৰিতেই পদ্যছন্দত লিখা। তাৎপর্য্যপূর্ণ কথাটো হ'ল গদ্যত লিখা চৰিতখিনি কোনো এখনতে লেখক বা বক্তাৰ নাম নাই। পদ্য চৰিততকৈ সংখ্যাত তেনেই তাকৰ গদ্য। চৰিতৰ সংখ্যা মাথোন চাৰিখন— *গুৰু-চৰিত কথা*, *বৰদোৱা চৰিত*, *আতৈৰ চৰিত* আৰু *আতা চৰিত*। ইয়াৰে *গুৰু চৰিত কথা* সম্পৰ্কত ওপৰত ভালেখিনি কথা কৈ অহা হৈছে। একেদৰে শঙ্কৰদেৱ-মাধৱদেৱ আৰু তেওঁলোকৰ সন্ত-মহন্ত সকলৰ জীৱন আৰু কর্মৰ আধাৰত ৰচিত *বৰদোৱা চৰিত*ৰো লেখকৰ নাম পোৱা নাযায়।

সি যি হওক ভক্তি ধর্মৰ প্ৰচাৰৰ উদ্দেশ্যে যিমানবোৰ *চৰিত পুথি* ৰচনা হৈছে বা এতিয়ালৈ উদ্ধাৰ হৈছে, সেই সকলোবোৰে সাহিত্যিক মূল্য যে অটুট ৰাখিব পাৰিছে তেনেও নহয়; অথবা কোনোখনে ঐতিহাসিক চিত্ৰ দাঙি ধৰিলেও কোনোখনেই হয়তো ইতিহাস সমৃদ্ধ গ্ৰন্থও নহয়। কিন্তু এইটো ঠিক যে ভক্তি ধর্মৰ প্ৰচাৰৰ চলেৰে তৎকালীন সমাজৰ সামাজিক, ৰাজনৈতিক, অর্থনৈতিক ইত্যাদি প্ৰতিটো দিশৰ জ্ঞানসম্ভাৰ সঞ্চাৰিত মধ্যযুগীয়া *চৰিত পুথি*ৰ মূল্য অসমীয়া সাহিত্যৰ বুৰঞ্জীত অপ্ৰতিদ্বন্দ্বী হিচাপে সদায় জিলিকি থাকিব। তাক নিশ্চয় আজিৰ সময়তো দৃঢ়তাৰে ক'ব পাৰি।



চিন্তা-চর্চা কৰক ১১.৩

পদ্য চৰিতকাৰসকলৰ বিষয়ে বহলাই লিখিবলৈ যত্ন কৰক।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ গদ্য চৰিতৰ বক্তা বা ৰচয়িতা সম্পৰ্কে চমুকৈ লিখক। (৫০টা শব্দৰ ভিতৰত লিখক।)



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *চৰিত পুথি*সমূহ হৈছে শঙ্কৰোত্তৰ যুগ তথা মধ্যযুগীয়া অসমীয়া সাহিত্যৰ অন্যতম সাহিত্য সম্পদ।
- অশ্বঘোষৰ *বুদ্ধ চৰিতে*ই ভাৰতীয় সাহিত্যৰ প্ৰথম *চৰিত পুথি*ৰ পূৰ্ণাঙ্গ নিদৰ্শন।
- অসমীয়া *চৰিত পুথি*সমূহ হৈছে বৈষ্ণৱ সন্ত পুৰুষৰ জীৱন আৰু কৃতি সম্বলিত গ্ৰন্থ।
- লিখন ৰীতিৰ পিনৰ পৰা অসমীয়া *চৰিত পুথি* দুই প্ৰকাৰৰ— পদ্য চৰিত আৰু গদ্য চৰিত।
- অসমীয়া *চৰিত পুথি*সমূহ আধুনিক জীৱনী সাহিত্য বা প্ৰকৃত জীৱনী সাহিত্যৰ আধাৰত ৰচিত নহয়; বৰং ই হেজিঅ'গ্ৰাফিৰ (Hagiography) অনুকৰণত ৰচিত। অৰ্থাৎ ই সন্ত পুৰুষৰ প্ৰশস্তিমূলক ৰচনা।
- *চৰিত পুথি*সমূহত কেৱল বৈষ্ণৱ সন্ত পুৰুষসকলৰ জীৱন চৰিতৰেই বৰ্ণনা নাই; বৰং ইয়াত সেই সময়ৰ সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক দিশৰো বৰ্ণনা থকা একোখন নিৰ্ভৰযোগ্য গ্ৰন্থ।
- অসমীয়া *চৰিত পুথি*ৰ গদ্য মধ্যযুগীয়া অসমীয়া গদ্যশৈলী তথা অসমীয়া গদ্য সাহিত্যৰ (কথা চৰিতখিনি) অপূৰ্ব নিদৰ্শন।
- প্ৰতিগৰাকী চৰিতকাৰেই একো গৰাকী বিদ্বান সাহিত্যিক। অৱশ্যে *গুৰু চৰিত কথা*কে আদি কৰি গদ্য চৰিতখিনিৰ ৰচয়িতাৰ নাম পোৱা নাযায়।



১২.৫ অধিক জানিবলৈ

১) কটকী, প্ৰফুল্ল (২০১১); *ক্ৰমবিকাশত অসমীয়া কথাশৈলী*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
২) কোঁৱৰ, অৰ্পনা (২০১০); *প্ৰাচীন অসমীয়া গদ্য-শৈলী*; গুৱাহাটী ঃ ডিব্ৰুগড় ঃ বনলতা।
৩) নেওগ, মহেশ্বৰ (১৯৮৬); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; টিহু-গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৪) নেওগ, মহেশ্বৰ (সম্পা.) (২০০৩); *গুৰু-চৰিত-কথা*; বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

৫) পাটগিৰি, দীপ্তি ফুকন (২০১১); *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি*; গুৱাহাটী ঃ ডিব্রুগড় ঃ বনলতা।

৬) বৰুৱা, বিৰিঞ্চি কুমাৰ (২০১৬); *অসমীয়া কথা-সাহিত্য*; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

৭) শর্মা, নবীন চন্দ্র (২০১৩); *অসমৰ সাংস্কৃতিক ইতিহাস* (দ্বিতীয় ভাগ); অসম সাহিত্য সভা।

৮) শর্মা, সত্যেন্দ্র নাথ (২০০৩); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী, ৰিহাবাৰী ঃ প্রতিমা দেৰী।

১২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ *সন্ত চৰিত* হৈছে একপ্রকাৰ সন্ত পুৰুষৰ প্রশস্তিমূলক চৰিত... ...ইয়াত সন্ত পুৰুষ সকলৰ কোনবোৰ দিশ বর্ণনা কৰা হয় সেই বিষয়ে লিখিব লাগিব... ...দুই-এখন গ্রন্থক উদাহৰণ হিচাপে উল্লেখ কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া গদ্য চৰিতৰ শ্রেষ্ঠ নিদর্শন হ'ল *গুৰু-চৰিত কথা*... ...ইয়াৰ গদ্যত লিখা আন কেইখন চৰিতৰ উল্লেখ আৰু বিষয়বস্তুৰ বিষয়ে লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ ইয়াৰ উত্তৰত তৎসম, অর্দ্ধ-তৎসম আৰু তদ্ভৱ শব্দনো কি এই বিষয়ে লিখিব লাগিব... ...লগতে *চৰিত পুথিৰ* উল্লেখসহ উদাহৰণবোৰ উল্লেখ কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ পদ্য চৰিতৰ ৰচয়িতা সম্পর্কে জানিব পৰা গৈছে যদিও গদ্য চৰিতখিনিৰ ৰচয়িতাৰ উল্লেখ নাই... ...তেতিয়া হ'লে এইবোৰ গ্রন্থত সন্নিৰিষ্ট গুৰু বা সন্ত পুৰুষ সকলৰ জীৱন আৰু কর্ম সম্পর্কে কোনে চর্চা কৰিলে এই বিষয়ে চমুৱাই লিখিব লাগিব।

১২.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ 'চৰিত' শব্দৰ অর্থ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ভাৰতীয় *চৰিত পুথিৰ* ইতিহাস ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ অসমীয়া চৰিত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পর্কে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ *চৰিত পুথিৰ* প্রকৃতি আৰু স্বৰূপ ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ 'চৰিত' আৰু 'জীৱনী'ৰ মাজত পার্থক্য কি লিখক।

প্রশ্ন ৬ ঃ অসমীয়া চৰিত সাহিত্যত 'চৰিত তোলা' মানে কি বুজায় লিখক।

প্রশ্ন ৭ ঃ অসমীয়া *চৰিত পুথিৰ* বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৮ ঃ মধ্যযুগীয় অসমীয়া গদ্যৰ চানেকি হিচাপে *চৰিত পুথিৰ* গদ্যৰ বৈশিষ্ট্য প্ৰতিপন্ন কৰক।

প্ৰশ্ন ৯ ঃ '*চৰিত পুথি* সৃষ্টিত সত্ৰৰ ভূমিকা' ব্যাখ্যা কৰক।

প্ৰশ্ন ১০ ঃ চমুটোকা লিখক—

পদ্য চৰিত, *গদ্য চৰিত*, হেজিঅ'গ্ৰাফী, সত্ৰ, জীৱনীমূলক সাহিত্য, *কথাশৈলী*, *গুৰু চৰিত কথা*, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, ৰামৰায়।

*** ***** ***